# চাৰিখন শুভবাৰ্ত্তাই যীচুৰ বিষয়ে সাক্ষী দিছে

## চাৰিখন শুভবাৰ্ত্তা কেনেকৈ একে আৰু কেনেকৈ বেলেগ বুজি লওক।

ল'ৰা-ছোৱালীবিলাকক শিকোৱাসকলে অধ্যয়ন G2b পঢ়া উচিত।

আপুনি নিজকে প্ৰাৰ্থনাৰে আৰু ঈশ্বৰৰ বাক্যৰ দ্বাৰাই যুগুত কৰি লওক।

**প্ৰাৰ্থনা ঃ** "পবিত্ৰ পিতৃ, তুমি তোমাৰ পুত্ৰৰ বিষয়ে সাক্ষী দিছা আৰু আমাক চাৰিখন শুভবাৰ্ত্তা দিছা। সেইবোৰ জানিবলৈ, পালন কৰিবলৈ আৰু আনক শিকাবলৈ তুমি আমাক অনুগ্ৰহ দান কৰা।"

**১। পট**

- পুৰণি কালৰ পৰাই অনেকজন সাক্ষীৰ সাক্ষ্য এজনতকৈ শক্তিশালী। মোচিৰ বিধান অনুসাৰে আইন বিষয়ক বিচাৰত দুই বা তিনিজন সাক্ষীৰ প্ৰয়োজন।
- পবিত্ৰ আত্মাই আমাক যীচুৰ জীৱন আৰু শিক্ষা সম্বন্ধে চাৰি গৰাকী সাক্ষী দিছে। মাৰ্ক, মথি, লূক আৰু যোহন, তেওঁলোক হৈছে এই চাৰিখন শুভবাৰ্ত্তাৰ প্ৰস্তুতকৰ্ত্তা আৰু লিখক।
- প্ৰত্যেকখন শুভবাৰ্ত্তাৰ লিখকে যীচু জীয়াই থকা কালত এই পৃথিৱীত আছিল। তেওঁলোকৰ তিনিজনে তেওঁক খুব ভালদৰে জানিছিল, লূকে যীচুৰ বিষয়ে থকা সত্য ঘটনাবোৰৰ অনুসন্ধান কৰিছিল (লূক ১ঃ১-৩ পদ)। গতিকে, চাৰিখন শুভবাৰ্ত্তাই হৈছে চাক্ষুস-সাক্ষী বিৱৰণ, আটাইতকৈ মজবুত।
- চাৰিওজন লিখকে তেওঁলোকৰ শুভবাৰ্ত্তা কেইখনত যীচুৰ বিষয়ে কিছুমান একে কথাৰে বিৱৰণ কৰিছে আৰু এজনে আনজনে বাদ দিয়া কিছুমান বিৱৰণ যোগ দিছে। প্ৰত্যেকজনেই এই কথাত সন্মত যে, চাৰিওখন শুভবাৰ্ত্তাই এটা সত্য ঘটনা সৃষ্টি কৰিছে।
- বহু শতিকাৰ পিচত, আন ধৰ্ম্মবিলাকে যীচুৰ বিষয়ে কাহিনীবোৰ সলনি কৰিবলৈ চেষ্টা কৰিছিল, কিন্তু আমি আচল চাৰিখন শুভবাৰ্ত্তাত বিশ্বাস কৰোঁ।



**Famous 17th century painting**

ক'ৰ পৰা শুভবাৰ্ত্তাবোৰ আহিল সেই বিষয়ে জানিবলৈ লূক ১ঃ১-৪ পদলৈকে চাওক।

প্ৰত্যেকখন শুভবাৰ্ত্তা লিখকৰ নাম আৰু তেওঁলোকৰ প্ৰধান ব্যক্তিগত বিশেষত্ববোৰ মুখস্থ কৰক।

## মাৰ্ক

- যীচুক ক্রুচত দিয়া সময়ত মাৰ্ক এজন চফল ডেকা মানুহ আছিল।
- তেওঁ যিহুদী পৰিয়ালৰ আছিল, যীচুক দেখিছিল আৰু পাঁচনি পিতৰক খুব ভালদৰে জানিছিল।
- পিচলৈ তেওঁ পাঁচনি পৌলৰ লগত কাম কৰিছিল। তেওঁ সম্ভৱ আনবোৰে তেওঁলোকৰ শুভবাৰ্ত্তা লিখাৰ আগতেই তেওঁৰ শুভবাৰ্ত্তাখন লিখিছিল।
- এইখন আটাইতকৈ ছুটি শুভবাৰ্ত্তা আৰু বেছিভাগ যীচুৰ ব্যৱস্থা আৰু কামবোৰৰ বৰ্ণনা কৰিছে। ৰোমৰ মানুহবিলাকে ক্ষমতাৰ ওপৰত বেছি প্ৰাধান্য দিছিল আৰু বিশেষকৈ মাৰ্কৰ শুভবাৰ্ত্তাখন পঢ়ি ভাল পাইছিল।

## মথি

- মথি এজন গোড়া যিহুদী আছিল আৰু যীচুৱে তেওঁক "মোৰ পাছে পাছে আহাঁ" বুলি নোকোৱালৈকে তেওঁ এজন কৰতোলা লোক আছিল।
- তেওঁ মাৰ্কে লিখা শুভবাৰ্ত্তাৰ কিছু অংশ ব্যৱহাৰ কৰিছিল আৰু তেওঁ ব্যক্তিগতভাৱে জনা আৰু কেইটামান কথা সুমুৱাই লৈছে।
- তেওঁৰ যীচুৰ বিষয়ে অনেক ঘটনা আৰু সবিশেষ যিহুদী মানুহবিলাকে বুজি পোৱাকৈ প্ৰকাশ কৰিছে।

## লূক

- লূক এজন অনা-যিহুদী চিকিৎসক আছিল। যীচুৰ মৃত্যু আৰু পুনৰুত্থানৰ পাচত হোৱা এজন বিশ্বাসী লোক।
- তেওঁ পাঁচনি পৌলৰ লগত ঘুৰিছিল। পৌল যেতিয়া যিহুদা দেশৰ বন্দীশালত আছিল, লূকে তালৈ গৈছিল আৰু যীচুৰ বিষয়ে চাক্ষুস সাক্ষীৰ বিৱৰণী অনুসন্ধান কৰিছিল।
- লূকে যীচুৰ বিষয়ে সবিশেষ বিৱৰণী এনেভাবে দিছিল যেন যিহুদা দেশত সাক্ষাৎ লোৱা চাক্ষুস সাক্ষ্যবিলাকলৈ তেওঁ অতি সাৱধানে শুনিছিল।
- লূকে অনেক বুৰঞ্জীমূলক আৰু চিকিৎসাজ্ঞান বিষয় যিবোৰে অনা-যিহুদী পঢ়ুৱৈবিলাকৰ মন আকৰ্ষণ কৰিছিল তেনে কথা অন্তৰ্ভূক্ত কৰিছিল।

## যোহন

- যোহন আছিল যীচুক লগ নোপোৱা দিনলৈকে এজন যোহন বাপ্তাইজকৰ অনুসৰণকাৰী আৰু আটাইতকৈ অনুৰক্ত অনুগামী আছিল।
- যোহনে দীৰ্ঘ জীৱন-যাপন কৰিছিল। তেওঁ মৃত্যুৰ পূৰ্ব্বেই আন শুভবাৰ্ত্তাকেইখনে এৰি থৈ যোৱা কথাবোৰ যোগান দিবৰ বাবে তেওঁৰ শুভবাৰ্ত্তাখন লিখিছিল।
- তেওঁ যীচুৰ অনেক দীঘলীয়া কথোপকথন লিপিবদ্ধ কৰি ৰাখিছে, যিবোৰ প্ৰত্যেক খ্ৰীষ্টিয়ানে পঢ়ি আনন্দ পায়।

চাৰিখন শুভবাৰ্ত্তাই একেলগে যীচুৰ জীৱনৰ প্ৰধান ঘটনাবোৰৰ লগতে তেওঁৰ বহুতো শিক্ষাবোৰ, আজ্ঞাবোৰ আৰু প্ৰতিজ্ঞাবোৰ উল্লেখ কৰিছে।

- আটাইকেইখন শুভবাৰ্ত্তাই কেনেকৈ যীচুক ক্রুচবিদ্ধ আৰু কবৰস্থ কৰা হৈছিল আৰু কেনেকৈ তেওঁ জী উঠিছিল আৰু অনেক সাক্ষীৰ আগত দেখা দিছিল সেই বিষয়ে বৰ্ণনা কৰিছে।
- চাৰিখন শুভবাৰ্ত্তাৰ কথাবোৰ পঢ়ি আৰু কৈ আমি অতি কাৰ্য্যকৰী ভাবে আনৰ আগত প্ৰচাৰ কৰিব পাৰো।

**২। আহি থকা সপ্তাহটোত কৰিবলগীয়া কামবোৰ সহকৰ্ম্মীৰ লগত ঠিক কৰি লওক।**

কোন কেইজন শুভবাৰ্ত্তা লিখক আছিল তেওঁলোকৰ লিখনিবোৰ কেনেকৈ একে আৰু কেনেকৈ বেলেগ আছিল, একেলগে আলোচনা কৰক।

- বিশ্বাসী আৰু অবিশ্বাসীবিলাকৰ ঘৰ পৰিদৰ্শন কৰক।
- চাৰিওখন শুভবাৰ্ত্তাই যীচুক জনা লোক কেইজনে সঁচা ঘটনা আগবঢ়াইছে বুলি বুজাই দিয়ক।
- অবিশ্বাসীসকলে পঢ়িবৰ বাবে যিকোনো এটি শুভবাৰ্ত্তাৰ কপি দি থৈ আঁহক।
- বিশ্বাসীসকলে যিকোনো এটি শুভবাৰ্ত্তা ভালকৈ পঢ়িবলৈ এটি ব্যৱস্থা কৰি থৈ আহক।

৩। **হ'বলগীয়া সমজুৱা উপাসনাৰ্‍চনি আপোনাৰ সহ-কৰ্ম্মীৰ লগত ঠিক কৰি লওক।**

ল'ৰা-ছোৱালীবিলাকক তেওঁলোকৰ নাটকখন দেখুৱাবলৈ আৰু যুগুত কৰা প্ৰশ্নবিলাক আগবঢ়াবলৈ দিয়ক।

শুভবাৰ্ত্তা চাৰিখন কেনেকৈ সত্য বুৰঞ্জী, আন ধৰ্ম্মীয় পুথি বিলাকত কৈ পৃথক বা কাৰোবাৰ সপোনবোৰতকৈ অত্যন্ত বেলেগ হয় বুজাই দিয়ক।

চাৰিজন বিশ্বাসীক মাৰ্ক, মথি, লূক আৰু যোহনৰ প্ৰতিনিধি হ'বলৈ দিয়ক। তেওঁলোকে নিজকে নিজে চিনাকি দি তেওঁলোকৰ বিষয়ে যিখিনি কথা প্ৰথম ভাগত তালিকাভূক্ত সেই সঁচা ঘটনাখিনি বুজাই দিয়ক।

**মাৰ্ক ঃ** "মই মাৰ্ক। মই পৌল আৰু বাৰ্ণাব্বাৰ লগত তেওঁলোকৰ প্ৰথম প্ৰচাৰৰ যাত্ৰাত গৈছিলো। কিন্তু মোৰ ভয় লাগিল আৰু ঘূৰি গ'লোঁ। বহুত দিন পৌলে মোৰ ওপৰত খং কৰি আছিল, কিন্তু অৱশেষত মোক ক্ষমা কৰিলে আৰু মোৰ সহায় বিচাৰিলে।"

**মথি ঃ** মই পাঁচনি মথি, লেবী বুলিও কয়। মই ৰোমীয়াসকলৰ পৰা কৰ তুলিছিলো, যিহৰ বাবে যিহুদীবিলাকে মোৰ ওপৰত খং কৰিছিল। যীচুক লগ নোপোৱালৈকে মোৰ বহুতো বেয়া বন্ধু আছিল।

**লূক ঃ** মই লূক, এগৰাকী ডাক্তৰ। বেছিভাগ গ্ৰীক মানুহৰ দৰে মই যীচুৰ শিক্ষাৰ ওপৰত গভীৰ বিৱেচনা কৰিবলৈ ভাল পাওঁ। মই পৌলৰ অনেক প্ৰচাৰ যাত্ৰাত লগত আছিলো। আমি বিভিন্ন দেশত যীচুৰ বিষয়ে কওঁতে পবিত্ৰ আত্মাই মানুহবোৰৰ জীৱন সলনি কৰা আৰু তেওঁলোকৰ এটি নতুন খ্ৰীষ্টিয় সমাজ গঢ়ি উঠা মই দেখিছো।

**যোহন ঃ** "মই যীচুৰ শূন্য কবৰত আহি পোৱা প্ৰথমজন শিষ্য, যোহন। মই একমাত্ৰ শিষ্য যিজনে শ্বহীদ হৈ মৃত্যুবৰণ কৰা নাই। যদিও মই নিৰ্বাসনত আছিলো ঈশ্বৰে মোক যীচুৰ পৰা অহা বাণীবোৰ লিখিবলৈ বৃদ্ধ বয়সলৈকে ৰাখিলে।

শুভবাৰ্ত্তাবিলাকত থকা বিৱৰণবিলাকে তেওঁলোকক কি ভাবে সহায় কৰিলে সেই কথা বিশ্বাসীবিলাকক ডাঙৰকৈ ক'ব দিয়ক।


প্ৰভুৰ ভোজ পৰিচয় কৰাই দিবলৈ মথি ২৭ঃ২৭-৩১ পঢ়ক। বুজাই দিয়ক যে যীচুৰ দুখ-যাতনা আমাৰ পাপৰ শাস্তি আছিল। তেওঁ যাতনা পালে আৰু আমাৰ বাবে মৃত্যুবৰণ কৰিলে। আমি এই কথাকে যিমানবাৰ প্ৰভুৰ ভোজ পালন কৰো সিমানবাৰ সোঁৱৰণ কঁৰো।

যোহন ৪ঃ৩১-৩২ পদকেইটা একেলগে মুখস্থ কৰক।

লিনডিচফাৰণি গচ্‌পেল বোলা ৭ শতিকাৰ ত্ৰিকলা।



**মথি**



**মাৰ্ক**



**লূক**



**যোহন**

Copyright 2004 © by Paul-Timothy. May be freely copied. Download from www.Paul-Timothy.net